## ॥ গোহাৰি ॥

প্ৰথম অধিবেশন

# ৰাভা হাছং দাবী সমিতিঃ অসম

॥ স্থান :— বায়দা । তাং ২৬ আৰু ২৭ ফেব্ৰুৱাৰী /৯৪ ॥

সুধী ৰাইজ,

আন্তৰিক জাগায়গ্ৰোপ (বিম্লৰিক) অভিনন্দনেৰে আপোনাক/আপোনা-লোকক জনাব বিচাৰিছো যে, অসমৰ ভূমিপুত্ৰ আদিম জনগোষ্ঠী ৰাভা সকলৰ বাবে ভাৰত সংবিধানৰ ২৪৪ (ক) ধাৰা আৰু ২৭৫ (১) অনুচ্ছেদৰ ৬ষ্ঠ অনুসূচীৰ আধাৰত অসমৰ ৰাভাসকলৰ আত্ম নিয়ন্ত্ৰণৰ বাবে গঠিত "ৰাভা হাছং দাবী সমিতি" ৰ ১ম বাৰ্ষিক অধিবেশন খন অহা ২৬ আৰু ২৭ ফেব্ৰুৱাৰী /৯৪ তাৰিখে দুদিনীয়া কাৰ্য্য-সূচীৰে গোৱালপাৰা জিলাৰ লক্ষীপুৰ উন্নয়ণ খণ্ডৰ "বায়দা" ত পাতিবলৈ সিদ্ধান্ত লোৱা হৈছে। চৰকাৰে ৰাভা হাছং দাবী সমিতি আৰু নিখিল ৰাভা ছাত্ৰ সন্থাক স্বীকৃতি হিচাবে আমাৰ মৌলিক দাবীৰ প্ৰতি স্ব-ইচ্ছাই স্বীকাৰ কৰি লৈ সমস্যা সমূহ সমাধাৰ্থে ইতিমধ্যে অসমৰ মুখ্য মন্ত্ৰী শ্ৰী হিতেশ্বৰ শইকীয়াৰ লগত মুখ্য মন্ত্ৰীৰ আমন্ত্ৰণ ক্ৰমে দুলানি আনুষ্ঠানিক আলোচনা আৰু খৰটকীয়া সমস্যাটো সমাধান উলি-ওৱাৰ উদ্দেশ্যৰে অসমৰ ৰাজ্যপালৰ আদেশ মৰ্মে ৰাজহ মন্ত্ৰীৰ সভাপতিত্বত আমাৰ দাবী সমিতি আৰু ৰাভা ছাত্ৰ সন্থাৰ প্ৰতিনিধি থকা এঘাৰ জনীয়া উপদেষ্টা কমিটিৰ ইতিমধ্যে দুলানি আলোচনা অনুষ্ঠিত হৈছে। আমাৰ দাবী আৰু চৰকাৰে অ-গবৰ্মেণ্ট খচৰাৰ লগত সমিল-মিল সম্পৰ্কে সমাধানৰ সূত্ৰ উলিয়াবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। আমি জানো যে, আমাৰ মৌলিক দাবীৰ প্ৰতি চৰকাৰ নিশ্চয় এৰা-ধৰা মনোভাবেৰে মানি লব আৰু অনতি পলমে আমি আমাৰ জন্মস্বত্ত ৰাভা হাছং স্বায়ত্ব শাসিত ৰাজ্য পৰিষদ লাভ কৰিবলৈ সক্ষম হ'ম। কিন্তু ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদ গঠণ হলেও ইয়াত বস-বাস কৰা কোনো জনজাতি বা অজনজাতিক কোনো ধৰণৰ সংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰা নহব। ৰাভা হাছং অকল ৰাভা জনজাতিৰে নহয়, ই সকলো জনগোষ্ঠীৰে হাছং, সমতাৰ সম-অধিকাৰ থাকিব আৰু এই আশাৰেই আমি অসমৰ মাজত থাকি আমাৰ ভাষা-সাংস্কৃতিক বিকাশৰ লগতে অসমৰ ভাষা-সাংস্কৃতিক চহকী আৰু সমৃদ্ধি কৰিব বিচাৰিছো।

গতিকে এই উদ্দেশ্য আগত ৰাখি আমাৰ দাবী সমূহ প্ৰকৃতাৰ্থত কাৰ্য্য-ৰূপায়নত সঠিক পদক্ষেপ লবলৈ আমি অধিবেশন অনুষ্ঠিত কৰিবলৈ লৈছো। সেয়ে আগন্তুক আমাৰ অধিবেশনত সৰ্বত প্ৰকাৰে অকৃপনভাৱে সকলো জাতি-ধৰ্ম বৰ্ণ নিৰ্বিশেষে শাৰীৰিক, আৰ্থিক ভাবে আগবঢ়াবলৈ শ্ৰদ্ধাৰে বিনম্ৰ আহ্বান জনালো। নেমৰাছং (ধন্যবাদ)।

— বিনীত —

১। শ্ৰী শৰৎ চন্দ্ৰ ৰাভা। সভাপতি।
২। শ্ৰী ধনেশ্বৰ ৰাভা। উপ- সভাপতি।
৩। শ্ৰী সব্যসাচী ৰাভা। " "
৪। শ্ৰী সুলোচন ৰাভা। সাঃ সম্পাদক।
৫। শ্ৰী বেণুধৰ ৰাভা। সহ সাঃ সম্পাদক।

কেন্দ্ৰীয় ৰাভা হাছং দাবী সমিতি

৬। শ্ৰী লটসিং কুমাৰ ৰাভা। সভাপতি।
৭। শ্ৰী বুটিচন ৰাভা। উপ- "
৮। শ্ৰী কমলা কান্ত ৰাভা। উপ- "
৯। শ্ৰী গঙ্গাধৰ ৰাভা। সঃ সম্পাদক।
১০। শ্ৰী ৰাজেশ্বৰ ৰাভা। তৃতীয় "

অভ্যৰ্থনা সমিতি : বায়দা অধিবেশন

---

তাং ৭ ফেব্ৰুৱাৰী /৯৪ চন

OKDISCD